# মালদিভৰ উষ্চতম ন্যায়লয়ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ আদেশ ঘোষণা

অক্তোৱৰ ১০,২০১৩

উষ্চতম ন্যায়লয়ে  যোৱা ৭ চেপ্তেম্বৰ তাৰিখে  অনুৰ্ষ্ঠিত ৰাষ্ট্ৰপতি নিৰ্বাচন ৰদ্ কৰাৰ উপৰিও নিৰ্বাচনৰ বাবে নতুন তাৰিখ ঘোষণা কৰাৰ বিষয়ে জাৰি কৰা নিৰ্দেশ সম্বন্ধে আমি অৱগত হৈছো ।

অতি নিকটতম বন্ধুত্বৰ সম্পৰ্ক আৰু চুবুৰীয়া দেশ অনুসৰি ভাৰতে মালদিভত গণন্ত্ৰাতিক প্ৰক্ৰিয়াৰ আৰু এই অনুৰ্ষ্ঠানটোক অধিক মজবুত কৰাৰ উদ্দ্যেশে সদায়েই সমৰ্থন আগবঢ়াই যাব । আমি বিশ্বাস কৰো যে নিৰ্বাচন প্ৰক্ৰিয়াক পুনৰ সংযত অৱস্থালৈ ঘূৰাই আনিবলৈ হলে নিৰ্বাচনি প্ৰক্ৰিয়া স্থগিত কৰাটো অতি প্ৰয়োজন ।ভাৰতে অতি দৃঢ়তাৰে গোহাৰি জনাইছে  যাতে ন্যায়লয়ে জাৰি কৰা নিৰ্দেশত ঘোষণা কৰা নিৰ্বাচনৰ তাৰিখতে যাতে নিৰ্বাচন অনুৰ্ষ্ঠিত হয় আৰু মালদিভৰ জনসাধাৰনৰ ইচ্ছা আৰু গণন্ত্ৰাতিক প্ৰক্ৰিয়াৰ প্ৰতি থকা আস্থা অনুযায়ি এগৰাকী নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত হয় ।

আমি শেহতীয়া বাৰে সংঘটিত ৰাজনৈতিক হিংসাত্মক ঘটনাক তীব্ৰ ভাৱে নিন্দা কৰো আৰু শান্তি আৰু স্থিৰতা ৰক্ষা কৰাৰ উপৰিও যাতে কোনো ধৰনৰ নতুন অ-সংবিধানিক পৰিস্থিতিৰ উদ্ভৱ নহয় তাৰ বাবে সজাগ হবলৈ সকলো পক্ষলৈ গোহাৰি জনাও ।

মালদিভত মুক্ত,নিকা ,সকলো পক্ষৰ অৰ্ন্তভুক্তিৰে, এক আস্থাজনক নিৰ্বাচন অনুৰ্ষ্ঠিত কৰিব বিচৰা সকলো জনসাধাৰনৰ প্ৰতি আমি উদগনি জনাইছো যাতে  মালদিভৰ সংবিধান অনুসৰি  নিৰ্বাচনৰ ১১ নভেম্বৰ ২০১৩ তাৰিখটো কোনো সমস্যাৰ উদ্ভৱ নোহোৱাকৈ অতিক্ৰম হৈ যাব পৰাকৈ এক শান্তিৰ বাতাবৰনৰ সৃষ্টিৰ মাজেৰে  নিৰ্বাচন অনুৰ্ষ্ঠিত হয় ।এই সন্দৰ্ভত আজি সন্ধিয়া মালদিভৰ ৰাষ্ট্ৰপতিয়ে পূৰ্ব্বৰ মালদিভৰ ৰাষ্ট্ৰপতি মহম্মদ নাচিদক মালদিভৰ ৰাষ্ট্ৰপতিৰ কাৰ্য্যলয়ৰ কামকাজ চলোৱাত বাধা

প্ৰদান কৰাৰ চেষ্টাক তীব্ৰ ভাষাৰে নিন্দা কৰি জাৰি কৰা বক্তব্যক আমি আদৰনি জনাইছো ।

মালদিভ চৰকাৰ আৰু ইয়াৰ ৰাজ্যিক অনুষ্ঠান সমূহৰ সৈতে নিৰ্বাচনৰ সফলতাৰ উদ্দ্যেশে সকলো কাৰ্য্যতে একেলগে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতিৰ প্ৰতি ভাৰত সদায় দৃঢ় হৈ থাকিব ।

নতুন দিল্লী

অক্তোৱৰ ১০,২০১৩